# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date : 30-12-2025**
**Time : 21-25 Hrs.**

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

শীতৰ প্ৰকোপ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহ কাইলৈৰ পৰা অহা ৬ জানুৱাৰীলৈ বন্ধ ৰখাৰ বাবে শিক্ষা বিভাগে নিৰ্দেশ জাৰি কৰিছে। জিলাখনৰ বিদ্যালয় পৰিদৰ্শক আৰু সমগ্ৰ শিক্ষা অসমৰ জিলা সমন্বয়কে এই নিৰ্দেশ জাৰি কৰিছে। জিলাখনৰ আয়ুক্তৰ সৈতে আলোচনা কৰি গ্ৰহণ কৰা এই সিদ্ধান্ত অনুসৰি সকলো বিদ্যালয় বন্ধ ৰখা হ'ব। আনহাতে, ব্যক্তিগত বিদ্যালয়সমূহকো ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ এই নিৰ্দেশ বিবেচনা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। ইপিনে, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শীতৰ প্ৰকোপলৈ চাই জিলা আয়ুক্তসকলক নিজ নিজ জিলাৰ পৰিস্থিতিৰ মূল্যায়ন কৰি বিদ্যালয়ৰ পাঠদানৰ সময়ৰ সাল-সলনি কৰিবলৈ বা পাঠদান বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছে।

বিগত তিনি-চাৰিদিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰ শীতৰ কবলত পৰিছে। আজিও গোটেই দিনটো ঘন কুঁৱলীয়ে মহানগৰৰ চৌপাশ আবৰি ৰখাৰ ফলত দৃশ্যমানতা হ্ৰাস পায়। বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই জনোৱা মতে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰাৰ বিশেষ সাল-সলনি ঘটা নাই যদিও সৰ্বোচ্চ তাপমাত্ৰা দুদিনৰ ভিতৰত কমেও ৬ ডিগ্ৰী হ্ৰাস পাইছে।

আজিও গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ১৮ ডিগ্ৰী ছেলচিয়াছৰ আশে-পাশে থাকে আৰু সৰ্বনিম্ন তাপমাত্ৰা প্ৰায় ১৫ ডিগ্ৰী ছেলছিয়াছলৈ হ্ৰাস পায়। ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ তাপমাত্ৰা ধুবুৰীত সৰ্বাধিক হ্ৰাস পাইছে। কালি জিলাখনত ১৬ দশমিক ৯ ডিগ্ৰী ছেলছিয়াচ সৰ্বোচ্চ তাপমাত্ৰা ৰেকৰ্ড কৰা হয়। ০০০

০০০০

বিজেপি মিত্ৰজোট চৰকাৰে ৰাজ্যৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কাম কৰি আছে আৰু অনাগত দিনতো কাম কৰি যাব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। বজালীৰ মেধিকুছিত আজি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দ্বিতীয়টো চৌহদ উদ্বোধন কৰি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে বিজেপি চৰকাৰে অসমখনক সকলো দিশতে আগুৱাই নিয়া আৰু খিলঞ্জীয়াৰ প্ৰভুত্ব থকা ৰাজ্য গঢ়ি তোলাৰ বাবে অহৰহ কাম কৰি যাব। তেওঁ লগতে বজালীত পৰ্যায়ক্ৰমে চিকিৎসা মহাবিদ্যালয় আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় হ'ব বুলি ঘোষণা কৰে।

০০০০

শিৱসাগৰৰ হাতীঘূলি চাংমাই গাঁৱৰ প্ৰগতিশীল মীনপালক পাৰ্থপ্ৰতীম নেওগৰ এটা পুখুৰীত আজি বিশেষ মুকুতা উৎপাদনৰ শুভাৰম্ভ কৰা হয়। জিলা আয়ুক্ত আয়ুষ গাৰ্গে মীন বিভাগৰ সহযোগত আৰম্ভ কৰা এই অভিনৱ মুকুতা উৎপাদনৰ শুভাৰম্ভ কৰে। জিলা মীন বিভাগে প্ৰকাশ কৰা মতে মীনপালক গৰাকীয়ে মুকুতা খেতিৰ জৰিয়তে বছৰি অতিৰিক্তকৈ প্ৰায় ২ লাখ টকা উপাৰ্জন কৰিবলৈ সমৰ্থ হ'ব। এই উদ্যোগে জিলাখনত মীন পালকসকলৰ বাবে বিকল্প আয়ৰ নতুন পথ মুকলি কৰিব বুলি মীন বিভাগে প্ৰকাশ কৰিছে। এই সন্দৰ্ভত জিলা মীন বিষয়া জ্যোতি প্ৰসাদ দুৱাৰাই এইদৰে কয়ঃ

বাইট

০০০০

প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়াক আজি বৰেণ্য অসমীয়া বঁটাৰে সন্মানিত কৰা হয়। অসমৰ এটা বৈদ্যুতিন আৰু ছপা সংবাদ গোষ্ঠীয়ে সাহিত্যিকগৰাকীৰ বাসগৃহত এই সন্মান আগবঢ়ায়। অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকা, সাহিত্যাচাৰ্য ড০ কৰবী ডেকা হাজৰিকা আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ হিৰেন্দ্ৰনাথ শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

দৰং জিলা প্ৰশাসনৰ উদ্যোগত মঙলদৈ অসামৰিক চিকিৎসালয়ত আজি চিকিৎসা কাৰ্যত প্ৰয়োজনীয় সা-সৰঞ্জাম আৰু কাৰ্যালয় সামগ্ৰী প্ৰদান কৰা হয়। এই উপলক্ষে জিলা চিকিৎসালয়খনৰ চৌহদত অনুষ্ঠিত কাৰ্যসূচীত মঙলদৈৰ বিধায়ক বসন্ত দাস আৰু জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে চিকিৎসালয়ৰ অধীক্ষক ডাঃ দুৰ্গেশ্বৰ শৰ্মা আৰু অন্যান্য চিকিৎসক, কৰ্মচাৰী আদিৰ উপস্থিতিত সামগ্ৰীসমূহ প্ৰদান কৰে।

০০০০

অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ অধীনত আজি মাজুলীৰ পকাজৰাত এটা ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰা হয়। জিলাখনৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে কেন্দ্ৰটো মুকলি কৰে। উল্লেখযোগ্য যে ২০২৫-২৬ বৰ্ষৰ খাৰিফ শস্যৰ বতৰত শালি ধানৰ বাবে চৰকাৰে ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত দুহেজাৰ ৩৬৯ টকাৰ উপৰি অতিৰিক্ত সাহায্য ২৫০ টকাকৈ আগবঢ়াইছে। সৰ্বমুঠ প্ৰতি কুইণ্টলত দুহেজাৰ ৬১৯ টকা দৰত ধান ক্ৰয় কেন্দ্ৰত ক্ৰয় প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই কেন্দ্ৰটোৱে কৃষকসকলক যথেষ্ট উপকৃত কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰটোৰ জৰিয়তে ধান বিক্ৰীৰ বাবে প্ৰয়োজনীয় পঞ্জীয়ন তথা প্ৰমাণপত্ৰ কৃষি উন্নয়ন বিষয়াসকলৰ পৰা গ্ৰহণ কৰিবলৈ কৃষি বিভাগে ৰাইজক আহ্বান জনাইছে।

০০০০

বজালী জিলাৰ পাটাছাৰকুছি নিবাসী বিশিষ্ট সমাজকৰ্মী বাসুগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ অমূল্য কুমাৰ দেৱ চৌধুৰীৰ কালি পুৱতি নিশা বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৪ বছৰ।

০০০০

**ঃঃ সমাপ্ত ঃঃ**